No. of Printed Pages : 4

**FAS-01**

**BDP/BCA/BTS**

**Term-End Examination**

02505

**December, 2014**

**FAS-01 : FOUNDATION COURSE IN ASSAMESE**

*Time : 2 hours* *Maximum Marks : 50*

*প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ।*

## ক শাখা

**1.** সমপূৰ্ণ বাক্যত উত্তৰ দিয়ক – *1×5=5*

(a) ষড় দৰ্শনৰ বিকল্প নাম কি ?

(b) সত্ৰীয়া চিত্ৰকলাত উৰনীয়া সিংহৰ চিত্ৰই কাৰ প্ৰভাৱৰ কথা সূচায় ?

(c) অজন্তা ইলোৰাৰ গুহাবিলাক কোন চনত আৱিষ্কৃত ?

(d) কম্পিউটাৰৰ ইন্ পুট আৰু আউট পুটৰ মাজত সংযোগকাৰী বস্তুটো কি ?

(e) প্ৰকৃতাৰ্থত আজি কালি কাক নাগৰিক বোলা হয় ?

**2.** তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (√) দিয়ক – *1×5=5*

(a) চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজপ্ৰাসাদ নিৰ্মিত হৈছিল –

(i) বাঁহেৰে

(ii) কাঠেৰে

(iii) সোনেৰে

(b) অজন্তাৰ গুহাবিলাক আৱিষ্কৃত হয় –

(i) 1816 চনত

(ii) 1618 চনত

(iii) 1168 চনত

(c) "মোক তেজ দিয়া, মই স্বাধীনতা আনি দিম ।" – এইষাৰ উক্তি কাৰ ?

(i) বাল গংগাধৰ তিলকৰ

(ii) সুভাষ চন্দ্ৰ বসুৰ

(iii) লালা লাজপত ৰায়ৰ

(d) ৰাষ্ট্ৰৰ শাসনৰ চৰম ক্ষমতাৰ অধিকাৰী হ'ল –

(i) শাসকসকল

(ii) বিচাৰকসকল

(iii) জন সাধাৰণ

(e) 'আহোম জ্যোতিষ' নামৰ সচিত্ৰ পুথিখনৰ চিত্ৰসমূহ অঁকা হৈছিল –

(i) তুলা পাতত

(ii) মুগা কাপোৰত

(iii) সাঁচিপাতত

3. উষাই দেখা সপোনৰ বৰ্ণনা দাঙি ধৰক । 5

**অথবা**

প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক :

পিতা মোৰ যদিও মৰিছে ফাঁচীৰ কাঠত –<br>
গাই জীৱনৰ জয়গান<br>
গান্ধী মহাৰাজে মাতিলে যেতিয়া<br>
লোৱা নাই তথাপিতো স্বদেশ প্ৰেমৰ একো –<br>
মাহিলি বানচ

থপিয়াব খোজা নাই মোৰ ল’ৰাটিৰ বাবে –
পঢ়াৰ খৰচ
পাৰিলে পঢ়াম তাক ভঁৰালৰ জহাধান বেচি
নোৱাৰিলে থাকিব এনেয়ে ৰজাৰ –
পোৱালি সি
নাম লেখি সেনা-বাহিনীত ৰাখিব –
ঘৰৰ খিয়াতি ।

**4.** যিকোনো ***পাঁচটা*** প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক – *2×5=10*

(a) তুলিকাডালক কি কাৰণে লিখনী বোলা হৈছিল বুলি বহুতে অনুমান কৰে ?

(b) নাগৰিক অধিকাৰসমূহৰ দুটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰক ।

(c) চাৰ্বাক দাৰ্শনিক-সকলৰ অন্যান্য দাৰ্শনিক-সকলৰ লগত পাৰ্থক্য কিহত ?

(d) ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰিব নোৱাৰিলে কি হ’ব বুলি আশংকা কৰা হৈছে ?

(e) কেনে ধৰণৰ আহাৰে কেঞ্চাৰৰ প্ৰতিষেধক হিচাপে কাম কৰে ?

(f) চুলতানীসকলৰ ভাস্কৰ্য-স্থাপত্যৰ প্ৰাণকেন্দ্ৰ কি আছিল ?

(g) ভাৰতৰ মানুহৰ প্ৰধান আহাৰ কি ?

(h) খিলাফৎ আন্দোলন কোনে কিয় আৰম্ভ কৰে ?

(i) ইন্দিৰা গান্ধী কেতিয়া জাতীয় কংগ্ৰেছৰ সভ্য আৰু কেতিয়া সভাপতি হয় ?

## খ শাখা

5. যিকোনো ***পাঁচটা*** খণ্ডবাক্য ব্যৱহাৰ কৰি অৰ্থবহ বাক্য ৰচনা কৰক – *1×5=5*

কচুপাতৰ পানী, বিষ দি বাট নোপোৱা

কান সমনীয়া, পাবত গঁজা,

নপতা ফুকন, পেট ভাটো,

আলাসৰ লাড়ু, গাই বাই চা

6. তলৰ সংজ্ঞাবোৰৰ যিকোনো ***পাঁচটাৰ*** বিপৰীত লিংগ লিখক – *1×5=5*

সহোদৰ, ধোবা, চোৰ, মহিলা, ডেকেৰী, অধ্যাপক, দমৰা

7. বাঁহ-বেতৰ কাৰখানা খোলাৰ বাবে আৰ্থিক অনুদান বিচাৰি অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ নিৰ্দেশকলৈ লিখা দৰ্খাস্ত এখনৰ নমুনা প্ৰস্তুত কৰক । *5*

8. তলৰ যিকোনো ***এটা*** বিষয় নিৰ্বাচন কৰি ৰচনা এখন লিখক – *10*

   (a) অসমীয়া সাহিত্য

   (b) বৈজ্ঞানিক মানসিকতা